**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। চৰকাৰে এখন আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লক্ষ্যৰে কাম কৰি আছে আৰু বিভিন্ন ক্ষেত্ৰত সংস্কাৰৰ গতি ক্ষীপ্ৰতৰ কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। বহনক্ষম আৰু সৰ্বাত্মক বিকাশৰ বাবে সম্পদৰ দক্ষ আৰু নিৰপেক্ষ ব্যৱস্থাপনাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা উচিত বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে।

৩। সমগ্ৰ দেশৰ প্ৰায় ১০ লাখ ৪০ হাজাৰ মহিলা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ সৈতে জড়িত হৈছে।

৪। মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুহোমাই আজি বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ১৫ হাজাৰ ১৯৮ কোটি ৭৬ লাখ টকাৰ বাজেট উত্থাপন কৰে।

***আৰু***

৫। অষ্ট্ৰেলিয়াই আজি ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতক জয়ৰ বাবে ২৬৫ ৰাণৰ বিজয় লক্ষ্য বান্ধি দিছে।

ooooo

চৰকাৰে এখন আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লক্ষ্যৰে কাম কৰি আছে আৰু বিভিন্ন ক্ষেত্ৰত সংস্কাৰৰ গতি ক্ষীপ্ৰতৰ কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কৈছে, যে চৰকাৰে বিগত ১০ বছৰত সংস্কাৰ, বিত্তীয় নিয়মানুৱৰ্তিতা, স্বচ্ছতা আৰু সৰ্বাত্মক বিকাশৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰি আহিছে। নতুন দিল্লীত আয়োজিত **বিকাশ, নিৰ্মাণ, ৰপ্তানি আৰু পাৰমাণৱিক শক্তি অভিযান, নিয়ন্ত্ৰণ, বিনিয়োগ আৰু সুচল ব্যৱসায়ৰ চালিকা শক্তি হিচাপে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ** সম্পৰ্কীয় বাজেট পৰৱৰ্তী ৱেবিনাৰত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে কয়। দেশৰ অৰ্থ ব্যৱস্থাত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বিষয়ে মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয়, যে এনে উদ্যোগসমূহে এখন দেশৰ অৰ্থনৈতিক বিকাশত

পৰিৱৰ্তনকামী ভূমিকা পালন কৰে। উন্নয়নৰ বাবে সুস্থিৰ নীতি আৰু ব্যৱসায়ৰ ভাল বাতাবৰণ গুৰুত্বপূৰ্ণ বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। দেশৰ ব্যৱসায়িক সুচলতা নিশ্চিত কৰাৰ বাবে লোৱা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে চৰকাৰে এনে ব্যৱস্থাৰ অংশ হিচাপে জন বিশ্বাস আইন ৰূপায়ণ কৰিছে আৰু পালন কৰিবলগীয়া নীতি-নিয়ম হ্ৰাস কৰি সৰল আয়কৰৰ অৱধাৰণা প্ৰৱৰ্তন কৰিছে। চৰকাৰে জন বিশ্বাস-2.0 বিধেয়ক সন্দৰ্ভত কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বাজেটত নিৰ্মাণ আৰু ৰপ্তানিৰ প্ৰসাৰৰ বাবে ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। তেওঁ কয়, যে নিৰন্তৰ সংস্কাৰ প্ৰক্ৰিয়াই উদ্যোগ জগতত নতুন বিশ্বাসৰ সূচনা কৰিছে। চৰকাৰৰ প্ৰচেষ্টাৰ বাবে অৰ্থ ব্যৱস্থাৰ ওপৰত কোৱিডৰ প্ৰভাৱ হ্ৰাস পাইছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এনে প্ৰচেষ্টাৰ বাবে ভাৰত বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থাসমূহৰ অন্যতম হৈ উঠিছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ দেশসমূহে ভাৰতৰ সৈতে অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰিবলৈ আগ্ৰহী হৈ উঠিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে গৱেষণা আৰু উন্নয়নে দেশৰ নিৰ্মাণ খণ্ডৰ যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু এই প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰাৰ আৱশ্যকতা আছে। তেওঁ কয়, যে গৱেষণা আৰু উন্নয়নৰ জৰিয়তে নতুন সামগ্ৰী তথা বৰ্তমানৰ সামগ্ৰীসমূহৰ মূল্য সংযোজনৰ বিষয়ে গুৰুত্ব আৰোপ কৰা উচিত। বিশ্বই ভাৰতৰ পুতলা, জোতা-চেণ্ডেল আৰু চামৰা উদ্যোগৰ সম্ভাৱনাৰ কথা স্বীকাৰ কৰিছে আৰু অত্যাধুনিক প্ৰযুক্তিৰ সৈতে পৰম্পৰাগত শিল্পৰ সংযোজনেৰে যথেষ্ট সাফল্য অৰ্জন কৰাৰ থল আছে। তেওঁ কয়, যে দেশে এই ক্ষেত্ৰসমূহত নিজকে অগ্ৰণী হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে আৰু এনে হ'লে ৰপ্তানিও চকুত লগা ধৰণে বৃদ্ধি পাব। এই খণ্ডসমূহৰ বিকাশ হ'লে কৰ্ম সংস্থাপনৰ লাখ লাখ সুযোগ সৃষ্টি হ'ব আৰু উদ্যমশীলতাৰো প্ৰসাৰ ঘটিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে উদ্যোগ জগতক অকল মৌন দৰ্শক হৈ নাথাকি বিশ্ব যোগান শৃংখলাৰ সুযোগৰ অন্বেষণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে ৰপ্তানিৰ প্ৰসাৰৰ বাবে বিশ্ব যোগান শৃংখলাত চাহিদা থকা নতুন সামগ্ৰীৰ উৎপাদনত গুৰুত্ব আৰোপ কৰা উচিত। উৎপাদন আধাৰিত উদগনি আঁচনিৰ ফলত ১ লাখ ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগ হৈছে আৰু ১৩ লাখ কোটি টকাৰো অধিক মূল্যৰ উৎপাদন হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

বহনক্ষম আৰু সৰ্বাত্মক বিকাশৰ বাবে সম্পদৰ দক্ষ আৰু নিৰপেক্ষ ব্যৱস্থাপনাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা উচিত বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে। ৰাষ্ট্ৰপতি ভৱনত আজি ভাৰতীয় ৰাজহ সেৱাৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলক উদ্দেশি ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশত আন্তঃগাঁথনিৰ সম্প্ৰসাৰণ হৈছে, ডিজিটেল যোগাযোগৰ ব্যৱধান হ্ৰাস পাইছে আৰু অৰ্থনৈতিক সুযোগ পূৰ্বৰ তুলনাত অধিক সুলভ হৈছে। তেওঁ কয়, যে ভাৰতীয় ৰাজহ সেৱাৰ বিষয়াসকলৰ কাৰ্য্য শাসন আৰু কল্যাণৰ দিশৰ পৰা অতিকৈ গুৰুত্বপূৰ্ণ। নিকা, ফলপ্ৰসূ আৰু স্বচ্ছভাৱে অত্যাৱশ্যকীয় সম্পদ আহৰণৰ ক্ষেত্ৰত ভাৰতীয় ৰাজহ সেৱাৰ বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

ooooo

সম্প্ৰতি সমগ্ৰ দেশৰ প্ৰায় ১০ লাখ ৪০ হাজাৰ মহিলা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ সৈতে জড়িত হৈছে বুলি কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে জানিবলৈ দিছে। নতুন দিল্লীত আজি নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ ৰাষ্ট্ৰীয় অভিৱৰ্তনত সৱল পঞ্চায়ত নেত্ৰী অভিযান শীৰ্ষক উদ্বোধনী অনুষ্ঠানত ভাষণ দি

মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে মহিলাসকলৰ সৱলীকৰণৰ বাবে লাখপতি বাইদেউ আৰু নমো ড্ৰ'ণ বাইদেউ আঁচনিকে ধৰি ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ লগতে মহিলাসকলৰ মাজত বিশ্বাস গঢ়ি তোলাৰ বাবে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ দক্ষতাৰ বিকাশৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত অংশ লৈ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয়, যে মহিলাৰ নেতৃত্বত হোৱা উন্নয়নে সমাজলৈ ইতিবাচক পৰিৱৰ্তন অনাৰ লগতে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিছে। লোকসভা আৰু বিধানসভাৰ ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত ৰখাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ চৰকাৰে লোৱা ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে মহিলা প্ৰতিনিধিসকলক ভাল কামেৰে নিজৰ গাঁৱৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'বলৈ আহ্বান জনায়। কেন্দ্ৰীয় পঞ্চায়তীৰাজ ৰাজ্য মন্ত্ৰী প্ৰফেচাৰ এছ পি সিং বাঘেল আৰু কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খড়চে এই অনুষ্ঠানত উপস্থিত থাকে। ২৮ মাৰ্চত পালন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি পঞ্চায়তীৰাজ মন্ত্ৰ্যালয়ে আয়োজন কৰা এই অনুষ্ঠানত এহেজাৰ দুশৰো অধিক নিৰ্বাচিত মহিলা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ২৩ গৰাকী নিৰ্বাচিত মহিলা প্ৰতিনিধিক তেওঁলোকৰ অসাধাৰণ কামৰ বাবে পুৰস্কাৰ প্ৰদান কৰা হয়।

ooooo

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে সকলো মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু বুথ পৰ্য্যায়ৰ বিষয়াসকলক বিধিসন্মত দায়িত্ব পাৰদৰ্শিতা আৰু নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য নিৰ্বাচনী বিষয়াসকলৰ দুদিনীয়া সন্মিলনত ভাষণ দি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এইদৰে আহ্বান জনায়।

ooooo

মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুহোমাই আজি বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ১৫ হাজাৰ ১৯৮ কোটি ৭৬ লাখ টকাৰ বাজেট উত্থাপন কৰে। তেওঁ লগতে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ৩ হাজাৰ ৫১২ কোটি ৩৩ লাখ টকাৰ পৰিপূৰক দাবী মঞ্জুৰিৰ প্ৰস্তাৱ উত্থাপন কৰে। ৰাজ্যখনত এই বাৰ্ষিক বাজেটত ১২ হাজাৰ ৫৪০ কোটি ২০ লাখ টকাৰ ৰাজহ ব্যয়ৰ কথা কোৱা হৈছে আৰু এই পৰিমাণ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ মুঠ আনুমানিক ব্যয়ৰ ৮২ দশমিক ৫-১ শতাংশ। বেতন, মৰগীয়া বানচ আৰু পেঞ্চন শুল্ক আদি বৃদ্ধিৰ বাবে ৰাজহ ব্যয় বৃদ্ধি পোৱা বুলি কোৱা হৈছে। বেতন আৰু পাৰিশ্ৰমিক এই বাজেট অনুমানত মুঠ ব্যয়ৰ ৩০ দশমিক ৫-৪ শতাংশ। বাজেট উত্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে আসন্ন বিত্তীয় বৰ্ষৰ বাবে দুহেজাৰ ৬৫৮ কোটি ৫৪ লাখ টকাৰ মূলধনী ব্যয় দিয়া ধাৰ্য্য কৰা হৈছে আৰু এই পৰিমাণ মুঠ ব্যয়ৰ ১৭ দশমিক ৪-৯ শতাংশ।

ooooo

চৰকাৰে জন ঔষধি কেন্দ্ৰৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে অভিযান আৰম্ভ কৰিছে বুলি নীতি আয়োগৰ সদস্য ভি কে প'লে প্ৰকাশ কৰিছে। আসন্ন জন ঔষধি দিৱস সম্পৰ্কে আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে জন ঔষধি কেন্দ্ৰসমূহত প্ৰায় দুহেজাৰবিধ ঔষধ আৰু অস্ত্ৰোপচাৰৰ ৩ হাজাৰ আহিলা উপলব্ধ। তেওঁ লগতে কয়, যে বহনসাধ্য দৰত উচ্চ মানৰ ঔষধ যোগান ধৰাই এই বিপণীসমূহৰ মূল উদ্দেশ্য। শ্ৰীপলে কয়, যে বৰ্তমান দেশত প্ৰায় ১৫ হাজাৰ জন ঔষধি কেন্দ্ৰ আছে আৰু ২০২৭ চনলৈ এনে কেন্দ্ৰৰ সংখ্যা ২৫ হাজাৰলৈ বৃদ্ধি কৰা হ'ব।

ooooo

অষ্ট্ৰেলিয়াই আজি ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতক জয়ৰ বাবে ২৬৫ ৰাণৰ বিজয় লক্ষ্য বান্ধি দিছে। খেলখনত অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ ষ্টীভ স্মিথে সৰ্বাধিক ৭৩ ৰাণ কৰে। এলেক্স কেৰীয়ে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ মহম্মদ শ্বামীয়ে তিনিটা, বৰুণ চক্ৰৱৰ্তী আৰু ৰবীন্দ্ৰ জাদেজাই দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ৮ অভাৰত দুটা উইকেট হেৰুৱাই ৪৩ ৰাণ সংগ্ৰহ কৰে।

পাকিস্তানৰ লাহোৰত কাইলৈ হ'বলগীয়া দ্বিতীয়খন ছেমিফাইনেলত নিউজিলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে খেলোৱা হ'ব।

ooooo

সমাপ্ত